# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY

## MA Assamese 3rd Sem. Examination, 2014

### কাকত ঃ দশম ( ভাষা বিজ্ঞানৰ সাধাৰণ পৰিচয়)

### ( Linguistics Group)

সময় ঃ তিনি ঘণ্টা　　　　　　　　　　　　　　মুঠ নম্বৰ ঃ ৮০

১. তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক।　　　　২×৫ = ১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাষাতত্ত্বৰ আলোচনাত কি বিষয় সামৰি লোৱা হয় উল্লেখ কৰক।

(খ) উপভাষা বুলিলে কি বুজে?

(গ) ভাষা একোটাৰ শব্দ পৰিৱৰ্তনৰ দুটা কাৰণ বিশ্লেষণ কৰক।

(ঘ) ধ্বনিৰ উচ্চাৰণৰ বাগিন্দ্ৰিয়সমূহৰ ভূমিকা ব্যাখ্যা কৰক।

(ঙ) ইণ্ডো-ইউৰোপীয় ভাষা-গোষ্ঠীৰ নামকৰণ সম্পৰ্কে বিশ্লেষণ কৰক।

(চ) অসমীয়া ভাষা সম্পৰ্কে এটি টোকা লিখক।

(ছ) ভাষাবিজ্ঞানৰ আলোচনাত ছুইছ ভাষাবিজ্ঞানী Ferdinand de Saussure-ৰ বৰঙণি বিশ্লেষণ কৰক।

২. তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক।　　　　৪×৩ = ১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাষাবিজ্ঞানক বিজ্ঞান বুলি কোৱাৰ যুক্তি বিচাৰ কৰক।

(খ) ভাষাবিজ্ঞানৰ পৰিসৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(গ) ভাষাবিজ্ঞানৰ আলোচনাত অৰ্থতত্ত্বই কি কি দিশ সামৰি লয়। ব্যাখ্যা কৰক।

(ঘ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ শাখা হিচাপে 'কেণ্টুম' আৰু 'সতম' এই নাম দুটাৰ বিচাৰ কৰি এই শাখা দুটাৰ ভাষাৰ বিষয়ে উল্লেখ কৰক।

(ঙ) ভাষা-বিজ্ঞানৰ আলোচনাত এড্‌ৱাৰ্ড ছাপিৰ আৰু লিঅনাৰ্ড ব্লুমফিল্ডৰ বৰঙণি বিশ্লেষণ কৰক।



৩. তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক।　　　　৬×৩ = ১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২০০-২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাষা অধ্যয়নৰ প্ৰসংগত ব্যাকৰণৰ ধাৰাটোৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

(খ) তুলনামূলক ভাষা-বিজ্ঞানৰ শেহতীয়া ধাৰা হিচাপে প্ৰায়োগিক ভাষাবিজ্ঞানৰ বিভিন্ন শাখা আৰু কৰ্মক্ষেত্ৰৰ বিষয়ে আলোচনা কৰক।

(গ) বিশিষ্ট ধ্বনি বিজ্ঞান বা বৰ্ণবিজ্ঞানৰ (phonemics) আলোচ্য বিষয় উদাহৰণসহ ব্যাখ্যা কৰক।

(ঘ) গাঁথনিক দিশেৰে বাক্যৰ শ্ৰেণীবিভাজন কেনেকৈ কৰা হয় দেখুৱাই অসমীয়া ভাষাৰ বাক্যৰ উদাহৰণসহ আলোচনা কৰক।

(ঙ) দ্ৰাবিড়ী ভাষাসমূহৰ প্ৰধান শাখা তিনিটাৰ বিষয়ে আলোচনা দাঙি ধৰক।

৪. তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক।　　　　১০×৪ = ৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) সমকালীন ভাষাবিজ্ঞান আৰু বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ সম্পৰ্ক দেখুৱাই ঐতিহাসিক ভাষাবিজ্ঞানৰ সৈতে বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ পাৰ্থক্য আৰু সম্পৰ্ক বিচাৰ কৰক।

(খ) সমাজ ভাষাবিজ্ঞান (Socio-linguistics) বুলিলে কি বুজায়? আলোচনা কৰক।

(গ) ভাষা একোটাৰ ৰূপতত্ত্বৰ আলোচনাই কোনবোৰ দিশ সামৰি লয় অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ অন্তৰ্গত বিষয় কিছুমানৰ আধাৰত ব্যাখ্যা কৰক।

(ঘ) ইণ্ডো-ইৰানীয় ভাষা শাখাৰ অন্তৰ্গত উপশাখা তিনিটাৰ ক্ৰমবিকাশ আলোচনা কৰি ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ ধাৰাটো ৰেখাচিত্ৰৰ সহায়ত প্ৰদৰ্শন কৰক।

(ঙ) টাই উপশাখাৰ অন্তৰ্গত ভাষাবোৰৰ উল্লেখ কৰি ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত প্ৰচলিত টাই গোষ্ঠীৰ ভাষাসমূহৰ পৰিচয় দাঙি ধৰক।

(চ) নোৱম চমস্কিৰ ৰূপান্তৰস্ফোট ব্যাকৰণ বা ৰূপান্তৰ উৎপাদন ব্যাকৰণৰ মূল নীতিসমূহৰ আলোচনা কৰক।